নিৰ্ভীক, নিৰপেক্ষ

অসমীয়া খবৰ

# ছাত্ৰ আলোচনা-চক্ৰত ডিব্ৰুগড় সূৰজমল কানৈ কলেজ শ্ৰেষ্ঠ




**আমাৰ খবৰ, জাঁজী, ৯ এপ্ৰিল ঃ** শিৱসাগৰ জিলাৰ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ ভাষা গৱেষণা কোষ, সমাজ বিজ্ঞান গৱেষণা কোষ আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ উদ্যোগত ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আলোচনা-চক্ৰ আজি অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ উপাধ্যক্ষ বিদ্যাধৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত সমল ব্যক্তি ড° প্ৰতিম শৰ্মা, ড° দেৱজিত শৰ্মা আৰু ভাষণ আগবঢ়ায়। আলোচনা-চক্ৰখনৰ তিনিখন কাৰিকৰী বৈঠকত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰৰ মহাবিদ্যালয়সমূহৰ পৰা তিনি কুৰিৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে ৩৮ খন আলোচনা-পত্ৰ পাঠ কৰে। বিষয়বস্তু, গৱেষণা পদ্ধতি আৰু উপস্থাপন কৌশলৰ পৰা বিচাৰ কৰি ডিব্ৰুগড় হনুমান বক্স সূৰজমল কানৈ কলেজৰ চিৰঞ্জীৱ সন্দিকৈক প্ৰথম কাকজান মহাবিদ্যালয়ৰ উদেষ্ণা দুৱৰা, বৰ্ষাৰাণী কলিতাক দ্বিতীয় আৰু শিৱসাগৰ ছোৱালী কলেজৰ পলাক্ষী বৰুৱা, পৰী তাঁতী, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ জ্যোতিমণি ডেকাক তৃতীয় শ্ৰেষ্ঠ প্ৰতিযোগীৰ বঁটা প্ৰদান কৰে। জীৱমণি নাথ আৰু ড° সান্ত্বনা দত্তই আঁত ধৰা আলোচনা-চক্ৰৰ সামৰণী অনুষ্ঠানত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলক মানপত্ৰ প্ৰদান কৰে। অধ্যাপিকা সীমা নাথে শলাগ জ্ঞাপন কৰা অনুষ্ঠানত বিচাৰকত্ৰয় চাজিদুল হক বৰবৰা, মিনতি গগৈ, ড° প্ৰমোদ চন্দ্ৰ দাসে বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে এই আলোচনা-চক্ৰৰ নিৰ্বাচিত আলোচনা-পত্ৰসমূহৰে এখন গ্ৰন্থ প্ৰকাশৰ পৰিকল্পনা কৰিছে উদ্যোক্তাসকলে। আলোচনা-চক্ৰত অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীৰ উপৰি শুভাকাংক্ষীসকল উপস্থিত থাকি উৎসাহিত কৰাৰ লগতে সহযোগিতা আগবঢ়ায়।